**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 17-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::

১। জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় জনতা পাৰ্টীৰ নতুন সমিতিৰ দায়িত্ব লাভ কৰা বিষয়ববীয়াসকলক অভিনন্দন জনাইছে।

২। স্বাধীনতা দিৱসৰ পূৰ্বে আই এছ্ আইৰ সমৰ্থনপ্ৰাপ্ত সন্ত্ৰাসবাদী গোট শ্বাহজাদ ভাট্টি নেটৱৰ্কক ধ্বংস কৰে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন ৰাজ্যমন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ১৫ গৰাকী ব্যক্তিক ৰাষ্ট্ৰীয় অনুভৱ বঁটা ২০২৬ প্ৰদান কৰে।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা শ্ৰীলংকাই প্ৰথম ইনিংছত আঠাইকেইটা উইকেটৰ বিনিময়ত ২৮৪ ৰান সংগ্ৰহ কৰে। *আৰু*

৫। নতুন দিল্লীত চলি থকা বি ডব্লিঅ' এফ ছেম্পিয়নশ্বিপত ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু মহিলাৰ ছিংলগছত দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় জনতা পাৰ্টীৰ নতুন সমিতিৰ দায়িত্ব লাভ কৰা বিষয়ববীয়াসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে নতুন বিষয়ববীয়াসকলে দলক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লব বুলি আশা প্ৰকাশ কৰে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলৰ নতুন ৰাষ্ট্ৰীয় বিষয়ববীয়া সমিতি ঘোষণা কৰিছে। সেই অনুসৰি নতুন ৰাষ্ট্ৰীয় সমিতিখনত ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে বসুন্ধৰা ৰাজে সিন্ধিয়া, তীৰথ সিং ৰাৱাট, ৰাম মাধৱ, বৈজয়ন্ত জয়পাণ্ডা, ডি পূৰ্ণেন্দেশ্বৰী, ৰেখা বাৰ্মা, বৰ্ষাবেন নৰেন্দ্ৰভাই যোশী আদি কেইবাজনকো দায়িত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় সাংগাঠনিক সাধাৰণ সম্পাদক হিচাপে বি এল সন্তোষ আৰু ৰাষ্ট্ৰীয় সহ-সাংগঠনিক সাধাৰণ সম্পাদক হিচাপে শিৱ প্ৰকাশ আৰু সৌদান সিঙক দায়িত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক হিচাপে বিনোদ টাৱৰে, স্মৃতি ইৰাণী আদি কেইবাজনো জ্যেষ্ঠ নেতাক অধিষ্ঠিত কৰাৰ লগতে ৰাষ্ট্ৰীয় সম্পাদক হিচাপে কবিতা পাটিদাৰ, কে সুৰেন্দন আদিক বাছনি কৰা হৈছে। একেদৰে সমিতিখনৰ কেইবাটাও দায়িত্বশীল পদত বিজেপিৰ কেইবাগৰাকীও আগশাৰীৰ নেতা

তথা কৰ্মীক দায়িত্ব অৰ্পণ কৰা হৈছে। ইপিনে, অসমৰ মৃগাংক দেৱ বৰ্মনক বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে স্বাধীনতা দিৱসৰ পূৰ্বে আই এছ আইৰ সমৰ্থনপ্ৰাপ্ত সন্ত্ৰাসবাদী গোট শ্বাহজাদ ভাট্টি নেটৱৰ্কক ধবংস কৰে বুলি আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। তেওঁ কয়, যে চৰকাৰে ২০০ ৰো অধিক সন্ত্ৰাসবাদী আৰু এনে কাৰ্যকলাপৰ লগত জড়িত লোকক গ্ৰেপ্তাৰ কৰি ধবংসাত্মক আক্ৰমণৰ পৰিকল্পনা বিফল কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ কয়, যে সুৰক্ষা বাহিনীসমূহে ১৪ খন ৰাজ্যৰ বিভিন্ন স্থানত সমন্বিত অভিযানেৰে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ নেটৱৰ্ক ধবংস কৰাটো সন্ত্ৰাসবাদৰ প্ৰতি দেশৰ শূন্য সহনশীলতা উৎকৃষ্ট উদাহৰণ। তেওঁ কয়, যে আই এছ আইৰ পুঁজিৰে চলি থকা গোটটোৰ পৰা আই ই ডি, পাকিস্তানৰ অস্ত্ৰ কাৰখানাৰ চিহ্নযুক্ত  গ্ৰেনেড, পিষ্টল, কাৰ্টিজ আৰু চোৰাংচোৰাগিৰিৰ বাবে ব্যৱহাৰ কৰা চি চি টি ভি কেমেৰাকে ধৰি বিভিন্ন বস্তু উদ্ধাৰ কৰা হৈছে।  এই গোটটো কেইবাটাও সন্ত্ৰাসবাদী কাৰ্যকলাপৰ সৈতে জড়িত আছিল বুলিও শ্ৰীশ্বাহে উল্লেখ কৰে। গৃহমন্ত্ৰালয়ৰ তথ্য অনুসৰি পাকিস্তানৰ আই এছ আই সমৰ্থিত সন্ত্ৰাসবাদী চিণ্ডিকেট শ্বাহজাদ ভাট্টি নেটৱৰ্ক সমগ্ৰ ভাৰতত গ্ৰেনেড, আই ই ডি আৰু বোমা বিস্ফোৰণৰ সৈতে জড়িত।

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি আৰু পেঞ্চন ৰাজ্যমন্ত্ৰী ডং জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ১৫ গৰাকী ব্যক্তিক ৰাষ্ট্ৰীয়  অনুভৱ বঁটা ২০২৬ প্ৰদান কৰে। এই বঁটাপ্ৰাপকসকলে পাৰপত্ৰ  সেৱা কেন্দ্ৰ, পূৰণি নিয়ম বাতিল আৰু নতুন নিয়ম প্ৰনয়ণ, প্ৰশাসন আৰু গাণনিক ক্ষেত্ৰত প্ৰযুক্তিৰ প্ৰয়োগৰ লেখিয়া বিভিন্ন চৰকাৰী প্ৰকল্পত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগাইছে। অনুভৱ মঞ্চই কেন্দ্ৰীয় চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, ১২ টা ৰাজহুৱা খণ্ডৰ বেংক আৰু কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ কৰ্মচাৰীসকলক  নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে। এই অনুষ্ঠানতে পেঞ্চন মিত্ৰৰ হাতপুথি আৰু ৰাষ্ট্ৰজুৰি ডিজিটেল জীৱন প্ৰমাণপত্ৰ অভিযানৰ পঞ্চম পৰ্যায় মুকলি কৰা হয়। এই উপলক্ষে দিয়া ভাষণত ডং সিঙে কয় যে প্ৰশাসনে কাৰো সামাজিক প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে পেঞ্চন প্ৰক্ৰিয়াটো সৰলীকৃত কৰিছে। পেঞ্চন প্ৰপত্ৰৰ পৰা অপ্ৰয়োজনীয় ধাৰাসমূহ আঁতৰাই দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। শেহতীয়া সংস্কাৰৰ  বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সমসাময়িক সামাজিক বাস্তৱতাৰ প্ৰতি লক্ষ্য ৰাখি পৰিয়াল পেঞ্চনৰ ধাৰাসমূহ অধিক শক্তিশালী কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি উত্তৰাখণ্ডৰ কুমাওঁ অঞ্চলৰ  সীমান্তৰ গাঁৱৰ এটা শিক্ষাৰ্থীৰ এটা দলৰ সৈতে মিলিত হয়। ৰাষ্ট্ৰীয় সংহতি যাত্ৰাৰ অংশৰূপে এই দলটো ৰাষ্ট্ৰপতি ভৱনলৈ গৈছিল।

০০০০০

শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশী আজি নতুন দিল্লীত উচ্চ শিক্ষা বিভাগৰ সচিব ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ সঞ্চালক প্ৰধান আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰীগৰাকীয়ে পৰীক্ষাৰ নীতি নিয়মসমূহ কঠোৰভাৱে বলবৎ কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গোপনীয় সঞ্চালন ব্যৱস্থা, সুৰক্ষিত কক্ষ, ইলেকট্ৰনিক যন্ত্ৰসমূহ জমা কৰাকে ধৰি বিভিন্ন ব্যৱস্থাসমূহ ক্ষীপ্ৰতাৰে গঢ়ি তুলিবলৈ আহ্বান জনাইছে। সকলো পৰীক্ষা প্ৰক্ৰিয়া পুংখানুপুংখভাৱে বিশ্লেষণ কৰি গ্ৰহণ কৰা সংশোধনমূলক ব্যৱস্থাৰ এখন

প্ৰতিবেদন দাখিল কৰিবলৈও সংস্থাটোক নিৰ্দেশ দিয়া হৈছে। এই বৈঠকৰ সময়ত শেহতীয়া বিষয়সমূহক লৈ সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সামগ্ৰিক ব্যৱস্থাটোৰ সংস্কাৰৰ বিষয়ে বিশেষ উল্লেখেৰে এন টি এ গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়। এন টি এৰ পৰা ৫০ ৰো অধিক কৰ্মচাৰীক অপসাৰণ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়। ১০ টা নতুন পেছাদাৰী নেতৃত্ব  পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। ইয়াৰ লগতে চাইবাৰ সুৰক্ষা, প্ৰশ্নকাকতৰ আৰ্হি প্ৰস্তুতকে ধৰি বিভিন্ন ক্ষেত্ৰত কাম কৰাৰ বাবে ব্যক্তিগত খণ্ডৰ বিশেষজ্ঞক নিয়োগ কৰা হৈছে।

০০০০০

স্বাধীনতা দিৱসৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰস্তুত কৰা শক্তিৰ সপ্তধাৰা গ্ৰাম্য ভাৰত আৰু কৃষিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰিছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই লক্ষ্যক জনসাধাৰণ কেন্দ্ৰীক কাৰ্যসূচীক স্বচ্ছ নিৰীক্ষণ আৰু ফলপ্ৰসূ ৰূপায়ণৰ জৰিয়তে কাৰ্যত ৰূপায়ণ কৰিবলৈ চৰকাৰে কাম কৰি যাব। শ্ৰীমোদীয়ে প্ৰস্তুত কৰা শক্তিৰ সপ্তধাৰাই কৃষি আৰু খাদ্য উৎপাদন শক্তিশালীকৰণ, খাদ্য প্ৰসংস্কৰণৰ উন্নয়ন আৰু বিশ্ব বজাৰৰ উপলভ্যতাক সম্প্ৰসাৰণ কৰাটোত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে বিশ্বজুৰি চলি থকা সংঘাট আৰু অনিশ্চয়তাৰ মাজতো কৃষকক ৰাজসাহায্যযুক্ত মূল্যত সাৰ যোগান ধৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধতাক দোঁহাৰে। কৃষি মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, শিৱৰাজ সিং চৌহানে নতুন দিল্লীৰ পুচা চৌহদত শক্তিৰ সপ্তধাৰা সম্পৰ্কৰ নেতৃত্ব বহন কৰিব। এই কাৰ্যসূচীয়ে বিভিন্ন বিভাগৰ পৰিকল্পনাত গুৰুত্ব আৰোপ কৰাৰ লগতে লাখপতি বাইদেউৰ কাৰ্যসূচীৰ সম্প্ৰসাৰণ আৰু কৃষক আৰু গ্ৰাম্য সমুদায়ৰ স্বাৰ্থত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিব। এই বৈঠকত ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত কৃষি আৰু গ্ৰাম্য উন্নয়নৰ বাবে স্পষ্ট আৰু কাৰ্যকৰী পৰিকল্পনা প্ৰস্তুত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰগতিগতিশীল কৃষক, লাখপতি বাইদেউ, কৃষি ৰপ্তানীকাৰী, আৰু খাদ্য প্ৰসংস্কৰণৰ সৈতে জড়িত লোকসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীৰ ভাৰতীয় প্ৰতিৰক্ষা সম্পদ ব্যৱস্থাপনা প্ৰতিষ্ঠানত প্ৰশিক্ষণৰত ভাৰতীয় প্ৰতিৰক্ষা সম্পদ সেৱাৰ ২০২৫ বৰ্ষৰ শিক্ষাৰ্থীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই বৈঠকত শ্ৰীসিঙে জনসাধাৰণৰ বৰ্ধিত আকাংক্ষাৰ পৰিপ্ৰেক্ষিতত  ৰাজহুৱা সেৱাৰ ভূমিকাৰ বিষয়ে উল্লেখ  কৰে। তেওঁ কয় যে জনমুখী সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত বিষয়াসকলে সেৱা ভাৱেৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়, যে বিষয়াসকলে জনসাধাৰণক নিয়মীয়াকৈ লগ ধৰাৰ লগতে তেওঁলোকৰ  উদ্বেগসমূহ বুজিবৰ বাবে ওজৰ আপত্তিসমূহ শুনিব লাগে। শ্ৰীসিঙে কয় যে ৰাজহুৱা সেৱাৰ সৈতে জড়িত বিষয়াসকলে নিজৰ শাৰিৰীক আৰু মানসিক কল্যাণৰ বাবেও মনোযোগ দিব লাগে। মন্ত্ৰীগৰাকীয়ে তেওঁলোকক ধ্যানৰ জৰিয়তে আধ্যাত্মিক পথ অনুসৰণ কৰিবলৈ আহ্বান জনায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ বীৰভুমৰ অগ্নিকাণ্ডত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে প্ৰাণ হেৰুওৱা লোকসকলৰ  পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে এই ঘটনাত আঘাতপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনা কৰিছে। এই ঘটনাত

ক্ষতিগ্ৰস্ত হোৱা লোকসকলক স্থানীয় প্ৰশাসনে সহায় কৰিব বুলি নিশ্চিতি দিছে। প্ৰধানমন্ত্ৰীয়ে লগতে মৃতসকলৰ নিকটআত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য দিয়াৰ কথাও ঘোষণা কৰিছে। ইয়াৰ লগতে এই ঘটনাত আঘাতপ্ৰাপ্তসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজত গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা শ্ৰীলংকাই প্ৰথম ইনিংছত আটাইকেইটা উইকেটৰ বিনিময়ত ২৮৪ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে ভাৰতে আজি আটাইকেইটা উইকেট হেৰুৱাই ৪৬২ ৰান কৰি নিজৰ প্ৰথম ইনিংছ সামৰে। দেৱদত্ত পাডিক্কলে ১৬৭ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৮২ আৰু ধ্ৰুৱ জুৰেলে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৪৬০ ৰানৰ পৰা আজি তৃতীয় দিনাৰ খেল আৰম্ভ কৰে যদিও অন্তিমটো উইকেটৰ বিনিময়ত অতিৰিক্ত ২ ৰানহে কৰিবলৈ সমৰ্থ হয়। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৩ আগষ্টত কলম্বোত অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীত চলি থকা বি ডব্লিঅ' এফ ছেম্পিয়নশ্বিপত ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু মহিলাৰ ছিংলগছত দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰাক্তন বিশ্ব ছেম্পিয়নগৰাকীয়ে আয়াৰলেণ্ডৰ ছোফিয়া নবেলক ২১-০৭, ২১-১১ ছেটত পৰাস্ত কৰে। ইপিনে, মহিলাৰ ডাবলছত ভাৰতৰ ত্ৰিশা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুঁটীটোৱে স্পেইনৰ পাউলা লোপেজ আৰু লুছিয়া ৰদ্ৰিগেজক ২১-০৯, ২১-১৩ ছেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ